# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত সাহিত্য অকাডেমিৰ 'মুলাকাত' অনুষ্ঠান

## কথা-কবিতাৰে মুখৰ হৈ পৰিল মহাবিদ্যালয় চৌহদ




**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৫ মাৰ্চ ঃ** সাহিত্য অকাডেমি আৰু চতিয়া ভাস্কৰজ্যোতি সমাজে জামুগুৰিহাটৰ কুসুমটোলাস্থিত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'মুলাকাত' শীৰ্ষক সাহিত্য চৰ্চাৰ এক অনুষ্ঠানৰ আজি আয়োজন কৰে। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত এই অনুষ্ঠানত কেইবাগৰাকীও প্ৰতিষ্ঠিত কবি সাহিত্যিকৰ কবিতা আৰু গল্প পাঠে সজীৱ কৰি তোলে মহাবিদ্যালয়ৰ চৌহদ। বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাণা হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানটিৰ আঁতধৰে প্ৰতিষ্ঠিত কবি সিদ্ধাৰ্থ শংকৰ কলিতা আৰু অধ্যাপিকা ৰাস্না ৰাজখোৱাই। শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত হোৱা 'মুলাকাত' অনুষ্ঠানটিত বেদান্ত পূজাৰীয়ে কবিতা সম্পৰ্কত বিশ্লেষণ দাঙি ধৰাৰ লগতে মৈত্ৰেয়ী পাটৰ, স্নেহাংকৰৰ কবিতা পাঠ,ৰশ্মিৰেখা ভূঞাৰ কবিতা পাঠ,তিলক শৰ্মাৰ কবিতা পাঠৰ উপৰিও হিমাংশু ৰঞ্জন ভূঞাই জামুগুৰিহাটৰ ঐতিহ্যৰ ওপৰত চমু আলোকপাত কৰে।ধূলিয়ৰী ফাগুনৰ এটি মিঠা দুপৰীয়া ৰিব ৰিব এছাতি কুকুৰা বতাহৰ আমেজ ভৰা পৰিবেশত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত সাহিত্য চৰ্চাৰ অনুষ্ঠানটিয়ে পুলকিত কৰি তোলে সকলোৰে দেহ মন।

# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত সাহিত্য অকাদেমিৰ 'মুলাকাত' সম্পন্ন




**নদুৱাৰৰ** নিজা বাতৰি দিওঁতা আৰু **জামুগুৰিহাটৰ** নিজা প্ৰতিবেদক, ১৫ মাৰ্চ ঃ সাহিত্য অকাদেমি আৰু চতিয়া ভাস্কৰজ্যোতি সমাজে জামুগুৰিহাটৰ কুসুমটোলাস্থিত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'মুলাকাত' শীৰ্ষক সাহিত্য চৰ্চাৰ এক অনুষ্ঠানৰ আজি আয়োজন কৰে। দুপৰীয়া অনুষ্ঠিত এই অনুষ্ঠানত কেইবাগৰাকীও প্ৰতিষ্ঠিত কবি-সাহিত্যিকৰ কবিতা আৰু গল্প পাঠে সজীৱ কৰি তোলে মহাবিদ্যালয়ৰ চৌহদ। বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাণা হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানৰ আঁত ধৰে কবি সিদ্ধাৰ্থ শংকৰ কলিতা আৰু অধ্যাপিকা ৰাস্না ৰাজখোৱাই। শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত বেদান্ত পুজাৰীয়ে কবিতা সম্পৰ্কত বিশ্লেষণ দাঙি ধৰাৰ লগতে মৈত্ৰেয়ী পাটৰ, স্নেহাংকৰ, ৰশ্মিৰেখা ভূঞা, তিলক শৰ্মাৰ কবিতা পাঠৰ উপৰি হিমাংশু ৰঞ্জন ভূঞাই জামুগুৰিহাটৰ ঐতিহ্যৰ বিষয়ে চমু আলোকপাত কৰে।

## ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

# গল্প-কবিতা পাঠৰ অনুষ্ঠান সম্পন্ন

প্ৰতিদিন সেৱা, জামুগুৰিহাট, ১৫ মাৰ্চ ঃ সাহিত্য অকাডেমী আৰু চতিয়া ভাস্কৰজ্যোতি সমাজে জামুগুৰিহাটৰ কুসুমটোলাস্থিত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি 'মুলাকাত' শীৰ্ষক সাহিত্য চৰ্চাৰ এক অনুষ্ঠানৰ আয়োজন কৰে। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত এই অনুষ্ঠানত কেইবাগৰাকী কবি-সাহিত্যিকে কবিতা, গল্প পাঠ কৰে। বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাণা হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটিৰ আঁত ধৰে কবি সিদ্ধাৰ্থশংকৰ কলিতা আৰু অধ্যাপিকা ৰাস্না ৰাজখোৱাই। শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত 'মুলাকাত' অনুষ্ঠানত বেদান্ত পূজাৰীয়ে কবিতা সন্দৰ্ভত বিশ্লেষণ দাঙি ধৰে। মৈত্ৰেয়ী পাতৰ, স্নেহাংকৰৰ কবিতা পাঠ, ৰশ্মিৰেখা ভূঞাৰ কবিতা পাঠ, তিলক শৰ্মাৰ কবিতা পাঠৰ উপৰি হিমাংশুৰঞ্জন ভূঞাই জামুগুৰিহাটৰ ঐতিহ্যৰ ওপৰত আলোকপাত কৰে।